**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ ভাৱনগৰত ৩৪ হাজাৰ ২০০ কোটি টকা ব্যয় সাপেক্ষে বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। জনপ্ৰিয় কণ্ঠশিল্পী অসমবাসীৰ অতিকে মৰমৰ জুবিন গাৰ্গৰ দেহাৱসানত ৰাজ্য আৰু দেশ শোকস্তব্ধ হৈ পৰিছে। শিল্পীগৰাকীৰ নশ্বৰদেহ ছিংগাপুৰৰ পৰা আজি অসমলৈ অনাৰ সম্ভাৱনা আছে।

৩। নিৰ্বাচন আয়োগে শেহতীয়াকৈ ৪৭৪টা অস্বীকৃত ৰাজনৈতিক দলৰ নাম আয়োগৰ তালিকাৰ পৰা কৰ্তন কৰিছে।

৪। মণিপুৰত কালি সন্ধিয়া সশস্ত্ৰ দুৰ্বৃত্তৰ আক্ৰমণত এজন নায়িব ছুবেদাৰকে ধৰি অসম ৰাইফলছৰ দুজন জোৱান নিহত হোৱাৰ লগতে কমেও ৫ জন জোৱান আহত হয়। *আৰু*

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আবু ধাবিৰ শ্বেইখ জায়েদ ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ অন্তিমখন খেলত ভাৰতে ওমানক ২১ ৰানত পৰাজিত কৰে। ০০০০০০০

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ ভাৱনগৰত ৩৪ হাজাৰ ২০০ কোটি টকা ব্যয় সাপেক্ষে বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে **সমুদ্ৰ সে সমৃদ্ধি** শীৰ্ষক এটা অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে এখন জনসভাতো ভাগ ল'ব। তেওঁ উদ্বোধন কৰিবলগীয়া প্ৰকল্পসমূহৰ ভিতৰত সামুদ্ৰিক, এল এন জি আন্তঃগাঁথনি, ঘাইপথ, স্বাস্থ্য সেৱা আৰু নগৰ পৰিবহণকে ধৰি বিভিন্ন খণ্ডৰ প্ৰকল্প আছে। শ্ৰীমোদীয়ে তেওঁৰ এদিনীয়া গুজৰাট ভ্ৰমণকালত লোথালত থকা ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য চৌহদ পৰিদৰ্শন কৰি ইয়াৰ কাম-কাজৰ পৰ্যালোচনা কৰিব।

০০০০০

প্ৰতিটো প্ৰজন্মক সংগীতৰ যাদুৰে মোহাচ্ছন্ন কৰি  কেৱল ৫৩ বছৰ বয়সতে মৃত্যুক সাৱটি লোৱা অসমবাসীৰ অতিকে মৰমৰ জুবিন গাৰ্গৰ দেহাৱসানত ৰাজ্য আৰু দেশ শোকস্তব্ধ হৈ পৰিছে। শিল্পীগৰাকীৰ নশ্বৰদেহ ছিংগাপুৰৰ পৰা আজি অসমলৈ অনাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছিংগাপুৰত থকা ভাৰতৰ উচ্চায়ুক্তৰ সৈতে এই বিষয়ত সঘন যোগাযোগ ৰক্ষা কৰিছে। কালি শিল্পীগৰাকীৰ কাহিলিপাৰাস্থিত বাসগৃহত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ লগতে শোকাহত পৰিয়াল, আত্মীয় আৰু গুণমুগ্ধসকলক সমবেদনা জ্ঞাপন কৰে। ড০ শৰ্মাই সাংবাদিকৰ আগত কয়, যে ৰাজহুৱাভাৱে প্ৰিয় শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জনোৱাৰ বাবে তেওঁৰ নশ্বৰদেহ সৰুসজাই ষ্টেডিয়ামত ৰখা হ'ব। তেওঁ লগতে কয়, যে পৰিয়ালৰ সৈতে চৰকাৰে আলোচনা কৰি তেওঁৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান চূড়ান্ত কৰিব।

অসমীয়া সংগীতৰ এটা যুগৰ স্ৰষ্টা ক্ষণজন্মা শিল্পীগৰাকীৰ মৃত্যুত দেশ-বিদেশত থকা অসংখ্য গুণমুগ্ধ শোকস্তব্ধ হৈ পৰিছে। ৰাজ্যৰ বিভিন্ন স্থানত কালি সন্ধিয়া প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই বন্তি প্ৰজ্বলন কৰা হয়।

জুবিন গাৰ্গৰ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, বজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, ৰাহুল গান্ধী, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি আন কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্য চৰকাৰৰ মন্ত্ৰী, বলিউদৰ বিশিষ্ট গায়ক, সংগীত পৰিচালক প্ৰমুখ্যে অজস্ৰ গুণমুগ্ধই গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ছিংগাপুৰত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ গৈ সাগৰত সাঁতোৰাৰ সময়ত হঠাৎ অসুস্থ হৈ কালি জুবিন গাৰ্গে মৃত্যুক আঁকোৱালি লয়। তিনি দশকৰো অধিক কাল অসমীয়া সংগীতজগতত অপ্ৰতিদ্বন্দ্বী হৈ ৰোৱা কণ্ঠশিল্পী গৰাকীয়ে কেৱল অসমীয়াই নহয়, বাংলা, হিন্দী আৰু আন কেইবাটাও ভাৰতীয় ভাষাত গীত গাই শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি থৈ গৈছে।

উল্লেখযোগ্য যে অসমীয়া সংগীত জগতত বৰ্ণিল যুগৰ সূচনা কৰা জুবিন গাৰ্গৰ জন্ম হৈছিল ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত। ১৯৯২ চনত অনামিকা এলবামেৰে সংগীত যাত্ৰা আৰম্ভ কৰা জুবিন গাৰ্গে নৱপ্ৰজন্মক পুনৰ অসমীয়া আধুনিক গীতৰ অনুৰাগী কৰি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। বাংলা ছবি **শুধু তুমি**ৰ বাবে ২০০৫ চনত তেওঁ বংগীয় চলচ্চিত্ৰ সমালোচক সংস্থাই আগবঢ়োৱা শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰিছিল। ২০০৭ চনত হিন্দী ছবি **গেংষ্টাৰৰ য়া আলী** শীৰ্ষক গীতটোৰ বাবে তেওঁ গ্লোবেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ড আৰু ষ্টাৰডাষ্ট এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ বঁটা লাভ কৰিছিল। তদুপৰি ইংৰাজী-খাচী ছবি **ইক'জ অৱ ছাইলেন্স** ছবিৰ বাবে তেওঁ শ্ৰেষ্ঠ সংগীত পৰিচালক হিচাপে ৰজত কমল বঁটা লাভ কৰিছিল। সংগীতৰ মহান পূজাৰীগৰাকীৰ মৃত্যুত আমি শিল্পীগৰাকীলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

০০০০০

নিৰ্বাচন আয়োগে শেহতীয়াকৈ পঞ্জীয়নভুক্ত ৪৭৪টা অস্বীকৃত ৰাজনৈতিক দলৰ নাম আয়োগৰ তালিকাৰ পৰা কৰ্তন কৰিছে। আয়োগৰ নীতি-নিয়ম অমান্য কৰাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি নিৰ্বাচন আয়োগে জানিবলৈ দিছে। ২০১৯ চনৰ পৰা এতিয়ালৈকে ৰাজনৈতিক দলসমূহে এবাৰো নিৰ্বাচনত অৱতীৰ্ণ নোহোৱাৰ বাবে এই সিদ্ধান্ত লোৱা হৈছে। এই প্ৰক্ৰিয়াৰ প্ৰথম পৰ্যায়ত নিৰ্বাচন আয়োগে যোৱা মাহত ৩৩৪টা ৰাজনৈতিক দলৰ নাম বাতিল কৰিছিল। ইয়াকে লৈ এতিয়ালৈকে বিগত দুটা মাহত মুঠ ৮০৮টা পঞ্জীয়নভুক্ত ৰাজনৈতিক দলৰ কৰ্তন কৰা হৈছে। আয়োগে জনোৱা মতে ৩৫৯টা ৰাজনৈতিক দলে বিগত তিনিটা বিত্তীয় বৰ্ষত বাৰ্ষিক হিচাপ দাখিল নকৰাৰ বাবে নাম কৰ্তন কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি বান প্ৰভাৱিত জম্মুৰ আৰ এছ পুৰা সীমান্ত অঞ্চল পৰিদৰ্শন কৰে। বানে ক্ষতি কৰা কৃষকক সাহায্য আগবঢ়াবলৈও কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি কেন্দ্ৰীয় কৃষিমন্ত্ৰীগৰাকীয়ে জনসাধাৰণক আশ্বাস দিয়ে। কালি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বালিয়ে পুতি পেলোৱা শস্যভূমি পৰিদৰ্শন কৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ প্ৰতিনিধিৰ এটা দলে ক্ষয়-ক্ষতিৰ হিচাপ পৰীক্ষা কৰি প্ৰতিবেদন দাখিল কৰিব বুলি প্ৰকাশ কৰে। প্ৰতিবেদন দাখিলৰ পাছতে কেন্দ্ৰীয় চৰকাৰে কৃষকসকলৰ বাবে সাহায্য পুঁজি মুকলি কৰিব দিব। উল্লেখযোগ্য যে জম্মুত হাজাৰ হাজাৰ হেক্টৰ

ভূমি বিশেষকৈ আৰু এছ পুৰা অঞ্চলৰ শস্য ভূমি যথেষ্ট অনিষ্ট হয়। আগষ্টৰ শেষৰফালে হোৱা মুষলদাৰ বৰষুণৰ ফলত অঞ্চলটোৰ শাক-পাচলি, বাচমতি ধানৰ খেতি নষ্ট হয়।

০০০০০

মণিপুৰৰ বিষ্ণুপুৰ জিলাত কালি সন্ধিয়া সশস্ত্ৰ দুৰ্বৃত্তৰ এটা দলে অৰ্ধসামৰিক বাহিনীৰ এখন বাহনত আক্ৰমণ কৰাৰ ফলত এজন নায়িব ছুবেদাৰকে ধৰি অসম ৰাইফলছৰ দুজন জোৱানৰ নিহত হোৱাৰ লগতে কমেও ৫ জন জোৱান আহত হয়। ইম্ফলৰ এজন আৰক্ষী বিষয়াই জনোৱা মতে বিষ্ণুপুৰ জিলাৰ নাম্বল চাবাল লেইকাই অঞ্চলৰ ইম্ফল-ডিমাপুৰ ৰাষ্ট্ৰীয় ঘাইপথত এই আক্ৰমণ সংঘটিত হয়। 33 আছাম ৰাইফলছৰ বাহিনীটো পাটছৈ কোম্পানী অপাৰেটিং শিবিৰৰ পৰা নাম্বল কোম্পানী অপাৰেটিং শিবিৰ অভিমুখে গৈ থকাৰ সময়তে অচিনাক্ত দুৰ্বৃত্তই আক্ৰমণ চলায় বুলি প্ৰতিৰক্ষা মুখপাত্ৰই প্ৰকাশ কৰিছে। তেওঁ কয়, যে আহত জোৱানকেইজনক ইম্ফলৰ আঞ্চলিক চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান, ৰিমছত ভৰ্তি কৰোৱা হয়। বৰ্তমানলৈকে কোনো উগ্ৰপন্থী গোটে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা নাই বুলি মুখপাত্ৰগৰাকীয়ে জনাইছে। আছাম ৰাইফলছৰ সঞ্চালক প্ৰধান লেফটেনেণ্ট জেনেৰেল বিকাশ লাখেৰাই মৃত জোৱান দুজনৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। আক্ৰমণত জড়িত সকলৰ সন্ধানত অঞ্চলটোত অভিযান অব্যাহত আছে। ইপিনে সুৰক্ষা বাহিনীয়ে যোৱা ২৪ ঘণ্টাত ইম্ফলৰ তিনিখন জিলাৰ পৰা কেইবাটাও নিষিদ্ধ ঘোষিত উগ্ৰপন্থী গোটৰ ছজন সদস্যক আটক কৰিছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতীয় নাগৰিকসকলক ইৰাণত কৰ্মসংস্থাপনৰ প্ৰতিশ্ৰুতি অথবা প্ৰস্তাৱৰ প্ৰতি সমৰ্থন নজনাবলৈ পৰামৰ্শ দিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত কয়, যে শেহতীয়াকৈ ভাৰতীয় নাগৰিকসকলক ইৰাণত কৰ্মসংস্থাপনৰ মিছা প্ৰতিশ্ৰুতি দিয়া আৰু অন্য দেশলৈ কৰ্মসংস্থাপনৰ বাবে প্ৰেৰণ কৰাৰ প্ৰলোভন দিয়াৰ বহু ঘটনা পোহৰলৈ আহিছে। নিয়োগৰ বাবে এনেদৰে ইৰাণলৈ যোৱা বহু ভাৰতীয়ক অপৰাধী গোটে অপৰহণ কৰি তেওঁলোকৰ পৰিয়ালৰ পৰা ধন দাবী কৰে। মন্ত্ৰালয়ে লগতে কয়, যে ইৰাণ চৰকাৰে কেৱল পৰ্যটনৰ বাবেহে ভিছা নোহোৱাকৈ ভাৰতীয়ক প্ৰৱেশৰ অনুমতি দিয়ে। নিয়োগ অথবা আন উদ্দেশ্যত ইৰাণত ভিছাবিহীনভাৱে প্ৰৱেশৰ প্ৰতিশ্ৰুতি দিয়া এজেণ্টসমূহ অপৰাধী গোটৰ সৈতে সম্পৰ্কত থকা হ'ব পাৰে বুলি উল্লেখ কৰি মন্ত্ৰালয়ে এনে জালত নপৰিবলৈ ভাৰতীয় নাগৰিকসকলক পৰামৰ্শ দিছে।

০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আবু ধাবিৰ শ্বেইখ জায়েদ ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ অন্তিমখন খেলত ভাৰতে ওমানক ২১ ৰানত পৰাজিত কৰে। ওমানে ১৮৯ ৰানৰ বিজয় লক্ষ্যৰে খেলা আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৬৭ ৰান কৰে। হাৰ্ডিক পাণ্ডিয়া, অৰ্শ্বদ্বীপ সিং, হৰ্ষিত ৰাণা আৰু কুলদীপ যাদৱে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৮ উইকেটৰ বিনিময়ত ১৮৮ ৰান কৰে। দলৰ হৈ সঞ্জু ছেমছনে ৫৬ আৰু অভিষেক শৰ্মাই ৩৮ ৰানৰ বৰঙণি আগবঢ়ায়। সঞ্জু ছেমছনক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া ছুপাৰ-ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত শ্ৰীলংকা আৰু বাংলাদেশ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। ভাৰতে

ইতিমধ্যে ছুপাৰ-ফ'ৰ পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জন কৰিছে। অহা দেওবাৰে ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

পুৰুষৰ ১৭ বছৰ অনূৰ্ধ ছাফ ফুটবল প্ৰতিযোগিতা ২০২৫ত ভাৰতীয় দলটোৱে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে। কলম্বোৰ ৰেচকৰ্চ আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত কালি অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত ভূটানক ১-০ গ'লত পৰাস্ত কৰি ভাৰতে এই যোগ্যতা অৰ্জন কৰে। এই জয়ৰ সুবাদত দুখন খেলৰ ৬ পইণ্ট লাভ কৰি ভাৰতে ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। অহা সোমবাৰে পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'বলগীয়া খেলখনৰ পাছত বিজয়ী দলটোৱে গ্ৰুপ-বিৰ তালিকাত শীৰ্ষস্থান লাভ কৰিব।

০০০০০

সমাপ্ত